# শিলৰ মুখৰ হাঁহি

বীৰেন গগৈ

পয়েট্ৰী উইডাউট ফিয়াৰ

*শিলৰ মুখৰ হাঁহি*

বীৰেন গগৈ

প্ৰথম সংস্কৰণ ২০২৫

*Shilar Mukhar Hanhi*

*A collection of Assamese poems written by Biren Gogoi.*

© 2025 by Author and Poetry without Fear.

All rights reserved. Except for quote in magazines, newspapers, journals, and other review, no part of this book may be reproduced, for any reason, by any means, including any method of photographic reproduction, without the permission from the Publisher.

First Edition 2025.

Published by Poetry without Fear (PWF) in Assam, 2025.
Website: https://hollongbooks.com/
Email: poetrywithoutfear@gmail.com

Printed by Elloid Communication at Guwahati, Assam.

ISBN 978-81-984521-6-0

Price: ₹200.00

# সূচীপত্ৰ


| | |
|---|---|
| *ব্যক্তিগত একাষাৰ* | .০৫ |
| শিলৰ মুখৰ হাঁহি | ১ |
| শব্দ আৰু বাক্যৰ বান্ধোনত বন্দী আখৰ প্ৰতিদিন প্ৰতিৰাতি | ২ |
| সেউজীয়া পাতত পৰি নুমাল | ৩ |
| ফুলে জানে ফুলাৰ সময় | ৪ |
| ধানবোৰে মাতে মাটিৰ মাত | ৫ |
| প্ৰেম-অপ্ৰেমৰ দিন | ৬ |
| কৃষ্ণচূড়া ফুলিছে | ৭ |
| ৰাঙলী পাহিৰ উদঙীয়া দুহাত | ৮ |
| বহু দূৰ যাব লাগে | ১০ |
| কি ফুল ফুলিছে | ১২ |
| সলনি হ'ল | ১৩ |
| মাটিৰ মাত (১) | ১৪ |
| দুখৰ পৰা দূৰৈত থাকা | ১৫ |
| মাজুলী | ১৬ |
| হঠাৎ যেন সপোন হ'ল দিঠক | ১৮ |
| গছৰ সপোন ফুল | ১৯ |
| মাত শুনিবলগীয়া মানুহৰ মাত | ২০ |
| জীৱন বিদ্যালয় | ২১ |
| কিছুমান কবিতা ভাবিবহে পাৰি | ২২ |
| মাতৰ বিপৰীত মাত | ২৩ |
| মই তোমাক দেখিছোঁ | ২৪ |
| সোঁৰৰণিৰ জালে সকলোকে গুঁঠে | ২৫ |
| ভেটি | ২৬ |

অগতিৰ গতি ২৮
অনুভৱ তুলসী ২৯
কবিজনক এবাৰ লগ পাব লাগিছিল ৩১
আমাৰ ভৱিষ্যৎ আন্ধাৰ ৩২
সুখ-দুখ ৩৩
বগীবিল ৩৪
ইকৰা পাতৰ নাওখনি বায় ৩৫
যোগ-বিয়োগ ৩৬
আই এতিয়া নাই ৩৭
আলফুল আহিনৰ সেউজীয়া ৩৮
গোটেই পৃথিৱীখনকে দেখোন চিনি পায় বদতিৰ... ৩৯
সাজি কোৰা সাধু ৪০
সময়-অসময় ৪১
দিঠকত আৰু কোনো দিন নাহে ৪২
কবিৰ ঘৰ নাই ৪৩
মাটিৰ মাত (২) ৪৪
পায়-নাপায় ৪৬
মিল-অমিল ৪৮
কাৰ্বি পাহাৰ ৪৯
দৌলতীৰ দেহ ৫১
পাথৰিঘাট ৫২
আহিন ৫৪
বতাহ লাগি গছৰ পাতবোৰ কঁপে ৫৫
মাটি গছৰ ঘৰ ৫৬
কবিতা নিলিখি সুখেৰে থাকিব পাৰি ৫৭
কবিতাত একো অংক নাই ৫৮

# ব্যক্তিগত একাষাৰ

এই সংকলনখনৰ আগতে মোৰ ছখন কবিতা-সংকলন প্ৰকাশ হৈছে। মোৰ প্ৰথমখন সংকলন *মাটি আৰু মানুহৰ প্ৰেমত* প্ৰকাশ পাইছিল ১৯৮৪ চনত। আনহাতে মোৰ ষষ্ঠখন সংকলন *সৰিয়হ হালধীয়া সাগৰ* প্ৰকাশ হৈছিল ২০১৫ চনত। অৰ্থাৎ প্ৰথমখন প্ৰকাশৰ সুদীৰ্ঘ একচল্লিছ বছৰৰ পিছত মোৰ সপ্তমখন সংকলন প্ৰকাশ পাইছে। ষষ্ঠ আৰু সপ্তমখন সংকলনৰ মাজৰ ব্যৱধানো কম নহয়— দহ বছৰ। গতিকে মোৰ কাব্য-চৰ্চাৰ গতি অতি শামুকীয়া। কাব্য-চৰ্চা আজৰি সময়ৰ খেল নহয় জানিও পৰিৱেশ সলনি বা জীৱন-জীৱিকাৰ ব্যস্ততাৰ বাবে কবিতা সৃষ্টিত যিমান সময় দিব লাগে দিব নোৱাৰিলোঁ। অধ্যয়নৰ অভাৱো এটা প্ৰধান কাৰণ হ'ল। সময়ো বহুত নষ্ট কৰা হ'ল। সাতে-পাঁচে মিলি মোৰ কবিতা-চৰ্চা পৰ্বক গভীৰভাৱে লোৱাই নহ'ল। কবি এজন গোটেই জীৱন কবি হৈ নাথাকে। গতিকে জীৱনৰ চুটি এই উৰ্বৰা সময়কণ সদব্যৱহাৰ কৰিব পাৰিলেহে কৃতকাৰ্য হ'ব পাৰি। মোৰ জীৱনত এইটোৱেই নহ'ল।

এইখন সংকলনত যোৱা দহ বছৰত লিখা নিৰ্বাচিত কবিতা এমুঠি সন্নিৱিষ্ট কৰা হৈছে। কবি-লেখক প্ৰকল্প ৰঞ্জন ভাগৱতীয়ে জোৰ দিয়াৰ বাবেহে এইখন সংকলনৰ প্ৰকাশ সম্ভৱ হৈ উঠিল। ইয়াৰ বাবে শ্ৰীভাগৱতীৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। ইয়াৰ উপৰি মোৰ কবিতাৰ সততে খবৰ ৰাখি উৎসাহিত কৰা ব্যক্তিসকল হ'ল ড° আনন্দ বৰমুদৈ, উত্তম দুৱৰা, ৰাণা চাংমাই, ড° যতীন কোঁৱৰ, সৌৰভ শইকীয়া, কৌশিক বাস্যস আৰু ড° সিদ্ধাৰ্থ গোস্বামী। সকলোৰে ওচৰত মই কৃতজ্ঞ হৈ ৰ'ম।

ডিচেম্বৰ, ২০২৫ — বীৰেন গগৈ

ডিব্ৰুগড়

# শিলৰ মুখৰ হাঁহি

এদিন অকল গছ-বনৰ
নিজৰ অধীনত আছিল
পৰ্বত-পাহাৰৰ উজ্জ্বল সেউজীয়া

শিলৰ মুখত আছিল হাঁহি
শিলৰ চকুত আছিল ছবি

আমি চিঞৰিছিলোঁ
আমি শুনিছিলোঁ
আকাশ-বতাহৰ ধুমুহা
নৈ-নিজৰাৰ বান
গছ-বনৰ গান
শিলৰ মুখৰ হাঁহি

দেহাৰ নাৱৰ দেহাৰ লগৰী
কোনোবাই জানো এৰি থাকিব পাৰে
মাটি আৰু পানী

বুকুত শত যুগৰ সুখ-দুখ সাবটি
শিলৰ মুখৰ হাঁহি

## শব্দ আৰু বাক্যৰ বান্ধোনত বন্দী আখৰ প্ৰতিদিন প্ৰতিৰাতি

শব্দ নিৰ্ভৰ আমাৰ ভাব জগত
শব্দই সলনি কৰে
শব্দই সৃষ্টি কৰে
শব্দই গঢ়ে
শব্দই ভাঙে
সুখ সমাজ দেশ

বাক্যৰ কথাই নাই
ওলট-পালট কৰিব পাৰে
মানুহ আৰু সমাজ
সময় আৰু ইতিহাস

পুৱাৰ পৰা ৰাতিলৈ
শব্দ বা বাক্যৰ বান্ধোনত
আমি সোমাই থাকোঁ
সচেতন বা অচেতনভাৱে